Series ONS

SET - 4

Code No. 14

Roll No. | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains 5 printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains 13 questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

*সময়ঃ 3 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ ঃ 100*

***Time allowed: 3 hours*** | ***Maximum Marks: 100***

## SECTION - A

1. (ক) (i) লগৰীয়া ক্ৰিয়া কাক বোলে? উদাহৰণৰ সহায়ত বুজাই লিখা। **(2)**

(ii) ধাতুৰ পাছত প্ৰত্যয় যোগ হৈ সিদ্ধ হোৱা ক্ৰিয়াক কি ক্ৰিয়া বুলি কব পাৰি? **(1)**

(iiii) পাচনী ক্ৰিয়াৰ এটি উদাহৰণ দিয়া। **(1)**

(iv) অনিয়মিত ক্ৰিয়া কি? **(1)**

(v) যিবোৰ অব্যয় অন্যপদৰ পাছত যোগ হৈ সিহঁতৰ অৰ্থ বেলেগ কৰে, সেইবোৰক কি বোলে? **(1)**

(vi) পুতৌ আৰু ঘৃণা ভাৱ প্ৰকাশক অব্যয় একোটাকৈ উল্লেখ কৰি একোটাকৈ বাক্য সজা। **(1+1=2)**

(খ) (i) অনুৰূপ শব্দ কেই প্ৰকাৰৰ? অনিয়মিত অনুৰূপৰ এটা উদাহৰণ দিয়া। **(1+1=2)**

(ii) পা-পইচা, ডা-ডাঙৰীয়া, বা-বাতৰি - এইবোৰ কি শব্দ? **(1)**

(iiii) অনুৰূপ-অনুকাৰ শব্দ বুলিলে কি বুজা? **(1)**

(গ) ষত্ব বিধি হোৱাৰ কাৰণ দৰ্শোৱা - **(3)**

শ্ৰীচৰণেষু, পাষণ্ড, দুষ্ট

(ঘ) (i) তলৰ বাক্যদুটাৰ কোনটো কি সমাস লিখা। **(2)**

(অ) বীণা আছে পাণিত যাৰ।

(আ) পিতল বৰণৰ চকু যাৰ।

(ii) তলত দিয়াবোৰৰ ব্যাস বাক্য ভাঙি দেখুৱাই সমাসৰ নাম লিখা (যিকোনো দুটাৰ) **(2)**

চুলিয়াচুলি, দোমাহী, গুৰুদক্ষিণা

(iii) দ্বন্দ্ব সমাস কাক বোলে? **(1)**

(iv) উপমিত কৰ্ম ধাৰয় আৰু ৰূপক কৰ্মধাৰয় সমাসৰ মাজত থকা পাৰ্থক্য উদাহৰণ দি বুজাই লিখা। **(2)**

(v) একশেষ দ্বন্দ্ব সমাসৰ এটি উদাহৰণ দিয়া। **(1)**

(ঙ) (i) তৃতীয়া বিভক্তিৰ চিন যোগ কৰি এটা বাক্যত লিখা। **(1)**

(ii) তলত আঁচটানা শব্দ **এটাৰ** বিভক্তিৰ নাম লিখা। **(1)**

বসন্ত ঋতুত প্ৰকৃতিয়ে নতুন সাজ সলায়।

মানুহজন দুৰ্ঘটনাৰ পৰা কথমপি ৰক্ষা পৰিল।

(চ) (i) মান্যাৰ্থত ব্যৱহাৰ হোৱা বহুবচনৰ চিনবোৰ লিখা। **(1)**

(ii) বহুবচন বুজোৱা শব্দ 'ৰাজি' আৰু 'পুঞ্জ'ৰে দুটা শব্দ গঠন কৰা। **(1)**

(ছ) এটা শব্দত প্ৰকাশ কৰা - **(1x4=4)**

(i) যি ঠাই অতি কষ্টেৰে লংঘন কৰা যায় -

(ii) যাৰ নাম ৰাতিপুৱাই স্মৰণ কৰা উচিত -

(iii) লোকক দেখি পিছে-পিছে যোৱা -

(iv) যাৰ ওপৰত গোচৰ তৰে -

(জ) বাক্য ৰচনা কৰা - **(4)**

আমা-ডিমা, গা-চাই-গামোচা,

জয়দেউ কাকূতি, চেলেকা-চুবুৰীয়া

## SECTION - B

**2.** ভাৱ বহলাই লিখা - *(এটাৰ)* **(5)**

(ক) অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে।

(খ) ফটা কঁথা তিতে মানে গালৈহে গধুৰ।

**3.** যিকোনো এটা বিষয় লৈ এখন ৰচনা লিখা। **(10)**

(ক) অসমৰ পৰিবহন ব্যৱস্থা।

(খ) নিৰক্ষৰতা দূৰীকৰণ।

(গ) সময়ৰ মূল্য।

## SECTION - C

**4.** তলৰ যিকোনো এছোৱাৰ তাৎপৰ্য্য ব্যাখ্যা কৰা - **(4)**

(ক) ডিব্ৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল।

(খ) একাগ্ৰতাৰ গুণতে তেওঁ অসাধাৰণ জ্ঞানী আৰু অসাধাৰণ কৰ্মী হ'ব পাৰিছিল।

5. (ক) তেওঁ কি কি নকৰিলে সেইবোৰলৈ নাচাই তেওঁ কি কি কৰিলে তাকে চালেহে আমি তেওঁৰ নিজৰ পৰিচয় পাম। পাঠটিৰ আধাৰত বুজাই লিখা। **(6)**

নাইবা

(খ) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই সম্বলপুৰৰ পৰা গুৱাহাটীলৈ কৰা ৰেল যাত্ৰাৰ চমু বিৱৰণ আগবঢ়োৱা।

6. (i) চমু পৰিচয় কাৰ দিয়া - *(২ টাৰ)* **(2x2=4)**

(ক) কথা কবিতা

(খ) ওমৰ খৈয়াম

(গ) যতীন্দ্ৰ নাথ দুৱৰা

(ii) "ককাই মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।" - কোনে কি প্ৰসংগত এই উক্তি কৰিছিল? **(2)**

7. তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া - **(1x4=4)**

(ক) শীলভদ্ৰই কোনখন গ্ৰন্থৰ বাবে সাহিত্য একাঁডেমী বঁটা লাভ কৰিছিল?

(খ) কিমান চনত যতীন্দ্ৰনাথ দুৱৰাই সাহিত্য সভাৰ সভাপতি হৈছিল?

(গ) অসমীয়া সাহিত্যত প্ৰথম কথা-কবিতা ৰচনা কৰা কবিগৰাকী কোন?

(ঘ) কাৰ চিঠিৰ বাবে ভৃদেৱ চৌধাৰীয়ে অপেক্ষা কৰি আছিল?

8. প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা *(এটাৰ)* - **(4)**

(ক) ত্ৰিজগতৰ পতি ভকতি মিলিল
মুৰুখ মাধৱে বোলে।

(খ) সত্ত্বঃ ৰজঃ তমো গুণ
সকলোতে নিৰগুণ
বোলে হুনু বিশ্বগিৰি সেই মহজান।

9. বৰগীতটোৰ মাজেৰে শ্ৰীকৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক ৰূপ কিদৰে পৰিস্ফুট হৈছে আলোচনা কৰা। **(6)**

CAREERINDIA

নাইবা

"সকলোতে আছে তেওঁ

কিন্তু নেদেখে কেও

ওৰণিৰে মুখ ঢাকি থাকে ওচৰত।"

এই কবিতাফাঁকিৰ মাজেৰে কবিয়ে কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে, লিখা।

**10.** তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া - (2x3=6)

(ক) ড° বাণীকান্ত কাকতিয়ে বৰগীতবোৰক কিয় Noble Numbers বুলি কৈছে?

(খ) "আজি সুন্দৰৰ পূজা থাপনাত

যাচিবি কিহেৰে যোড়শোপা চাব"। - যোড়শোপচাব কি বুজাই লিখা?

(গ) 'জয়ন্তী'ৰ কবি সকলৰ কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

**11.** তলৰ প্ৰশ্নবোৰৰ যথাযথ উল্লেখ কৰা - (1x4=4)

(ক) 'পঁছোৱা' আলোচনী কোন গৰাকী সাহিত্যিকে সম্পাদনা কৰিছিল?

(খ) প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?

(গ) অসমীয়া সাহিত্যত 'জ্ঞানমালিনী'ৰ কবি হিচাপে কোন গৰাকী কবি জনাজাত?

(ঘ) 'ভূষণ' শব্দটোৰ অৰ্থ কি?

**12.** তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা - (2x3=6)

(ক) ভাৰতীয়া দৰ্শনে মূল্যবোধক কেইটা ভাগত ভাগ কৰিছে? ভাগকেইটা কি কি?

(খ) মূল্যবোধ সম্পৰ্কে তোমাৰ ধাৰণা নিজাকৈ ব্যক্ত কৰা।

(গ) নন্দনতাত্ত্বিক মূল্যবোধ কি, বুজাই লিখা।

(ঘ) ধৰ্মক কিয় অৰ্থ আৰু কামতকৈ শ্ৰেষ্ঠ বুলি কোৱা হৈছে?

**13.** অতি চমু উত্তৰ দিয়া - (1x4=4)

(ক) ভাৰতীয় মূল্যবোধৰ ত্ৰিনীতি বুলি কাক কোৱা হয়?

(খ) ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে কিমানবিধ মূল্যবোধ চিনাক্ত কৰিছে?

(গ) নন্দনতাত্ত্বিক মূল্যবোধৰ চাবি-কাঠী কি?

(ঘ) কুকুৰ- শৃগাল গৰ্দভৰো আত্মাৰাম, জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।' কথাষাৰ কাৰ উক্তি?

=========000=========